জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬০/২০২২**

# ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ মাজত মুখ্যমন্ত্ৰীয়ে বিতৰণ কৰিলে খাদী চাৰ্ট আৰু এড়ী চাদৰ

**দিছপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ সৌজন্যত তথা অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীলৈ বিনামূলীয়া খাদী চাৰ্ট আৰু এড়ী চাদৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পূৰ্বতে বিত্ত মন্ত্ৰী হিচাপে কাৰ্যভাৰ চলোৱাৰ সময়ছোৱাত ২০১৭-১৮ বৰ্ষৰ বাজেট ভাষণত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকললৈ খাদীৰ পোছাক যোগানৰ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰে প্ৰথম পৰ্যায়ত অসম সচিবালয়, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, কামৰূপ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, সঞ্চালকালয় আৰু অন্যান্য কাৰ্যালয়ৰ ৩৯৩৭ গৰাকী চতুৰ্থ বৰ্গৰ পুৰুষ কৰ্মচাৰী আৰু ৫৩১ গৰাকী মহিলা কৰ্মচাৰীলৈ এই খাদী পোছাক যোগানৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰা হৈছে। বাকী থকা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকললৈ ইয়াৰ পৰৱৰ্তী পৰ্যায়ত এই পোছাক যোগান ধৰা হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই পদক্ষেপৰ জৰিয়তে ৰাজ্যখনত খাদীৰ এক জাগৰণ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে খাদী ব'ৰ্ডক এক লাভজনক প্ৰতিষ্ঠানলৈ ৰূপান্তৰ কৰাৰ বাবে পদক্ষেপ ল'বলৈ আহ্বান জনায়। আমাৰ ৰাজ্যখনৰ তুলনাত ভাৰতৰ অন্যান্য অঞ্চলত খাদী বস্ত্ৰ তথা সামগ্ৰীৰ জনপ্ৰিয়তা বৃদ্ধি হৈছে বুলি উল্লেখ কৰি অসমতো খাদী বস্ত্ৰ তথা সামগ্ৰীৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ বাবে চিন্তা চৰ্চা কৰিবলৈ তেওঁ আহ্বান জনায়। এই ক্ষেত্ৰত খাদী সামগ্ৰীৰ অগ্ৰণী ৰাজ্য হিচাপে পৰিগণিত গুজৰাটৰ আৰ্হি অধ্যয়নেৰে খাদী ব'ৰ্ডক তেনে ধৰণৰ উদ্ভাৱনীমূলক প্ৰস্তাৱ ৰাজ্য চৰকাৰক দাখিল কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে খাদী সামগ্ৰী বিশেষকৈ অসমত উৎপাদিত মৌৰ লেখীয়া সামগ্ৰীৰ এক সুকীয়া ব্ৰেণ্ড সৃষ্টি কৰাৰ পদক্ষেপ ল'বলৈও কয়। খাদী বস্ত্ৰ বৰ আৰামদায়ক বুলি উল্লেখ কৰি খাদী বস্ত্ৰক এক ফেশ্বনত পৰিণত কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ আহ্বান জনায়।

অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত হস্ততাঁত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত আৰ্টফেডৰ অধ্যক্ষ নাথুৰাম বড়ো, খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ উপাধ্যক্ষ হৰেণ দেউৰী, অতিৰিক্ত মুখ্য সচিব বিজয়েন্দ্ৰ প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / বঃভাঃ**

**১৪-২-২০২২**